৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত ১১ পৃষ্ঠাত

# অসম আদিত্য

RNI REGN. No. : ASSASS/2019/78693
epaper.asomaditya.com
Portal : www.asomaditya.com
e-mail : asomaditya@gmail.com

**স্বাস্থ্য**

নিয়মিতভাৱে মেথিগুটিযুক্ত পানীয় সেৱনে কলেষ্ট্ৰ'লৰ মাত্ৰা হ্ৰাস কৰাত সহায় কৰিব পাৰে। লগতে এই উপকৰণে সামগ্ৰিকভাৱে হৃদযন্ত্ৰৰ স্বাস্থ্যও উন্নত কৰে।

০ কাতি, ১৯৪৭ শক ■ মঙলবাৰ, ২৮ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, October 28, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■ ডিব্ৰুগড় সংস্কৰণ



অসমৰ যুৱকক অপমানৰ অভিযোগ

## প্ৰিয়াংক খাৰ্গেক মূৰ্খ আখ্যা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

ফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ অক্টোবৰ ঃ কংগ্ৰেছ নেতা য়াংক খাৰ্গেক তীব্ৰ সমালোচনাৰে উভতি ধৰিছে ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অসমৰ যুৱক-যুৱতীসকলৰ াগ্যতা সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰা বুলি ২ পৃষ্ঠাত

কৰ্ণাটকৰ মন্ত্ৰী প্ৰিয়াংক খাৰ্গেক সকীয়নি লুৰীণজ্যোতি-জগদীশৰ

## অসমৰ প্ৰতিভাক অৱমূল্যায়ন নকৰিব ঃ অসম জাতীয় পৰিষদ

ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৭ অক্টোবৰ ঃ অসমত ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপনৰ প্ৰসংগত কৰ্ণাটকৰ গ্ৰামোন্নয়ন মন্ত্ৰী প্ৰিয়াংক ৬ পৃষ্ঠাত

ডি এইচ এছ কে কলেজত নিযুত মইনা আঁচনি-২.০ৰ চে'ক্ বিতৰণ



## অৰ্থনৈতিক সমস্যাক শিক্ষাৰ অন্তৰায় হ'বলৈ নিদিয়ে ৰাজ্য চৰকাৰে ঃ মন্ত্ৰী প্ৰশান্ত ফুকন

ষ্টাফ ৰিপ'ৰ্টাৰ, ২৭ অক্টোবৰ ঃ অৰ্থনৈতিক বাধা কেতিয়াও শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে।— অসম চৰকাৰ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অভিলাষী আঁচনি নিযুত মইনা-২.০-ৰ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ চে'ক্ বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম চৰকাৰৰ শক্তি, দক্ষতা বিকাশ, ৬ পৃষ্ঠাত

# অসম আদিত্য

কাতি, ১৯৪৭ শক ■ মঙলবাৰ, ২৮ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, October 28, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱা


## গঢ়াৰ দৃষ্টিভংগীক

কত ৬.৯ মিলিয়ন মেট্ৰিক টনৰ পৰা ১৪৫তকৈও অধিক ভাৰতীয় নাবিকৰ সংখ্যা ২০০ শতাংশ বৃদ্ধি পাই ৩.২ উপনীত হৈছে। প্ৰধানমন্ত্ৰী মোদীৰ দূৰদৰ্শী নেতৃত্বত ভাৰতে ক তথা বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ খণ্ডত এক পকাঠী স্থাপন কৰিছে, সোনোৱালে কয়। 'ইণ্ডিয়া মেৰিটাইম ০২৫তে ৮৫ খন দেশৰ প্ৰতিনিধিত্ব আৰু ১০ লাখ কোটি বিনিয়োগৰ সম্ভাৱনাৰে বিশ্বই ভাৰতক সামুদ্ৰিক নেতৃত্বৰ । বৃহৎ শক্তি হিচাপে স্বীকৃতি দিয়াৰ দিশ ত্বৰান্বিত হ'ব, য মন্ত্ৰী সোনোৱালে লগতে কয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ ণ আৰু জলপথ ৰাজ্যিক মন্ত্ৰী শান্তনু ঠাকুৰে ভাৰতৰ স্থায়িত্ব, আৰু মানৱ সম্পদ উন্নয়নত গুৰুত্ব আৰোপ কৰে। ত এক স্মাৰ্ট, স্থায়ী আৰু বিশ্বব্যাপী প্ৰতিযোগিতামূলক ক পৰিৱেশতন্ত্ৰ গঢ়ি তুলিছে যিয়ে উদ্যোগক শক্তিশালী , পৰিৱেশ অনুকূল সামুদ্ৰিক পদ্ধতি সমন্বিত কৰিছে ভাৰতক বিশ্বৰ সামুদ্ৰিক খণ্ডৰ সৈতে সংযোগ কৰিছে, কয়। আজিৰ উদ্বোধনী দিনটোত মন্ত্ৰী পৰ্যায়ৰ সভা, ক্ষিক বৈঠক আৰু ৰাজ্যিক নেতৃত্বাধীন উদ্ভাৱন, স্থায়িত্ব বিনিয়োগকেন্দ্ৰিক অধিৱেশন অনুষ্ঠিত হয়। শ্ৰীলংকা, লেণ্ড আৰু ছৌদি আৰবৰ সৈতে জাহাজ নিৰ্মাণ, সেউজ আৰু সামুদ্ৰিক লজিষ্টিকৰ ক্ষেত্ৰত পাৰস্পৰিক াগিতাৰ সম্ভাৱনা অন্বেষণ কৰি ভাৰতৰ তিনিখন ক্ষিক অধিৱেশন অনুষ্ঠিত হয়। ইণ্ডিয়া মেৰিটাইম উইক

## অৰ্থনৈতিক সমস্যাক শিক্ষাৰ অন্তৰায় হ'বলৈ

উদ্যমিতা আৰু চিকিৎসা শিক্ষা বিভাগৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি এইদৰে কয়। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই অনা অনুষ্ঠানটিত মন্ত্ৰী ফুকনে ছাত্ৰীসকলক উদ্দেশ্যি কয় যে অসমৰ দৰে ৰাজ্যত যদিও অৰ্থনৈতিক সমস্যাক শিক্ষাৰ প্ৰধান অন্তৰায় হিচাপে গণ্য কৰা হয়, তথাপি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে যোৱা সময়ছোৱাত লোৱা ব্যাপক প্ৰগতিশীল আঁচনিসমূহে শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া এই অন্তৰায়ক বহু ক্ষেত্ৰত সমাধান কৰিবলৈ সক্ষম হৈছে। তাৰে এটা জ্বলন্ত উদাহৰণ হ'ল মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি। মন্ত্ৰী ফুকনে কয়— ৰাজ্যৰ প্ৰায় দশ লাখ ছাত্ৰীক সামৰি আৰম্ভ হোৱা এই আঁচনিয়ে নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ ছাত্ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহক প্ৰতিহিত কৰাত অতি ফলপ্ৰসূ হিচাপে পৰিগণিত হৈছে। অধ্যাপক শিৱনাথ চুতীয়াই আঁত ধৰা অনুষ্ঠানটিত মন্ত্ৰীগৰাকীয়ে কয়— বাল্যবিবাহ ৰোধক প্ৰধান লক্ষ্য হিচাপে লৈ আৰম্ভ হোৱা এই অভিলাষী আঁচনিখনে জনসাধাৰণৰ ব্যাপক সঁহাৰি লাভ কৰি দ্বিতীয় বৰ্ষৰ সংস্কৰণত ইতিমধ্যেই পাঁচ লক্ষাধিক ছাত্ৰীক সামৰি লৈছে। প্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি কয়— মুখ্যমন্ত্ৰীৰ নিযুত মইনাৰ দৰে আঁচনিয়ে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০-ৰ নামভৰ্তিৰ গড় অনুপাত বৃদ্ধি কৰাৰ যি অভিলাসী উদ্দেশ্য সেয়া সফল কৰাত উল্লেখযোগ্য অৰিহণা আগবঢ়াব। অধ্যক্ষগৰাকীয়ে লগতে কয়— এই আঁচনিয়ে ছাত্ৰীসকলৰ আধাতে শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰি যোৱা যি প্ৰৱণতা সেয়া ৰোধ আৰু ছাত্ৰীসকলক শিক্ষা ব্যৱস্থাৰ পৰিসীমাৰ ভিতৰত সক্ৰিয়ভাৱে অন্তৰ্ভুক্ত কৰি মানৱ সম্পদৰ এক অনবদ্য অংগ হিচাপে গঢ়ি তোলাত উল্লেখ্যযোগ্য অৱদান আগবঢ়াব। মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত অনুষ্ঠানত মহাবিদ্যালয়ৰ স্নাতক প্ৰথম, তৃতীয় বৰ্ষ আৰু স্নাতকোত্তৰ প্ৰথম আৰু তৃতীয় বৰ্ষৰ আঠশ সাতানব্বৈগৰাকী ছাত্ৰীক মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি-২.০ৰ চে'ক্ বিতৰণ কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ডিব্ৰুগড় জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) বিৰাজ বৰুৱা, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু আঠ শতাধিক ছাত্ৰী উপস্থিত থাকে। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° জুৰী বৰুৱাই।

## চৰকাৰী আদ মহাবিদ্যাল দেইথৰত আলোচনাচ

প্ৰতিবেদক, মৰঙি, ২৭ অ গোলাঘাট-কাৰ্বিআংলং সীমান্তৱৰ্তী চৰকাৰী আদৰ্শ মহা দেইথৰৰ অৰ্থনীতি বিভাগৰ উ ICSSR-ৰ সহযোগত ২৪ অক্টোবৰত আয়োজিত 'Eco Challenges and the S Political transformations hill regions of North India' শীৰ্ষক আলোচন কাৰ্যসূচীৰ সমাপ্তি ঘটে। প্ৰথ কাৰ্যসূচীত ৰাজীৱ গান্ধী বিশ্বব প্ৰাক্তন অধ্যাপক অমিতাভ আলোচনা সত্ৰৰ বীজ ভাষণ প্ৰদ ইয়াৰ পিছতে অনুষ্ঠিত আলোচনাত অধ্যাপক কৃষ্ণকা ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ভূএৱা সমাজ বিজ্ঞান বিভাগ